**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮০/২০১৯**

# গুৱাহাটীত নতুন উৰণীয়া সেঁতু নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**আন্দোলনৰ জৰিয়তে অসমৰ ভৱিষ্যতৰ পৰিৱৰ্তন সম্ভৱ নহয় ঃ মুখ্যমন্ত্ৰী**

**যুৱ প্ৰজন্মই আন্দোলনৰ পৰিৱৰ্তে কৰ্ম সংস্কৃতিৰ জৰিয়তে ৰাজ্যখনক আগুৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৮ ডিচেম্বৰ ঃ** 'অসমৰ বুকুত আমি সকলোৱে শান্তিৰ বাতাবৰণ গঢ় দিব লাগিব। ইয়াত অশান্তিৰ সৃষ্টি হ'লে অসমৰ ভৱিষ্যত কোনো যুক্তিতে সুৰক্ষিত হ'ব নোৱাৰে। আন্দোলনৰ জৰিয়তে অসমৰ ভৱিষ্যতৰ পৰিৱৰ্তন সম্ভৱ নহয়। পূৰ্বৰ আন্দোলনৰ পৰা আমি শিকনি ল'ব লাগিব। অসমৰ সম্পদ আৰু সম্ভাৱনাক বিকশাই তোলাৰ বাবে কঠোৰ পৰিশ্ৰমেৰে সংঘবদ্ধ প্ৰয়াস চলাব লাগিব। কৰ্ম সংস্কৃতি অবিহনে কোনো জাতিয়ে নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিব নোৱাৰে। অসমক আৰু অসমীয়াক ভাল পালে কৰ্ম সংস্কৃতি গঢ়ি তোলাত আত্মনিয়োগ কৰিব লাগিব। আমাৰ চৰকাৰে কোনো দিনে জাতিৰ ক্ষতি হ'ব পৰা কাম কৰা নাই আৰু নকৰে। উঠি অহা প্ৰজন্মক আমি সঠিক দিশেৰে আগুৱাই নিব লাগিব।' আজি ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজি ২০১৯-২০ বৰ্ষৰ অধীনত দিছপুৰ চুপাৰ মাৰ্কেটৰ পৰা খানাপাৰা অভিমুখী আৰু চুপাৰ মাৰ্কেটৰ পৰা লাষ্টগেট অভিমুখী ২ লেনযুক্ত উৰণীয়া সেঁতু নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰি এই উপলক্ষে দিছপুৰ চুপাৰ মাৰ্কেটৰ সমীপত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখ্য যে ১২৭.২০ কোটি টকা ব্যয় সাপেক্ষে ১৪০০ মিঃ দৈৰ্ঘ্যৰ এই উৰণীয়া সেঁতুখনৰ নিৰ্মাণ কাৰ্য ৩৬ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী সোণাৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শাসন ভাৰ লোৱাৰ পিছতে স্মাৰ্ট চিটি গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই পৰিকল্পনাত গুৱাহাটীয়ে প্ৰথম পৰ্যায়তে স্থান পাবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীক আটকধুনীয়া চহৰ হিচাপে গঢ় দিয়াৰ দায়িত্ব আমাৰ সকলোৰে আছে। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়া দক্ষিণ পূৱ এছিয়াৰ দুৱাৰমুখ হিচাপে পৰিগণিত হোৱাৰ পথত গুৱাহাটী মহানগৰী দৃঢ়তাৰে অগ্ৰসৰ হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰাইজক মহানগৰীখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ বাবে আহ্বান জনায়। মহাত্মা গান্ধীয়ে আমাক পৰিষ্কাৰকৈ থকাৰ পৰামৰ্শ দি গৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী আমাৰ স্বাভিমানৰ প্ৰতীক। মুখ্যমন্ত্ৰীয়ে কয় যে দেশখন পৰিষ্কাৰ কৰি ৰখাৰ বাবে প্ৰধানমন্ত্ৰীয়ে দক্ষতাৰে নেতৃত্ব দিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমি ইতিমধ্যে ২৬ লাখ শৌচালায় নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো।

কেপিটেল ৰিজন সম্প্ৰসাৰণৰ অধীনত গুৱাহাটী মহানগৰীৰ সীমা বৃদ্ধি কৰাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গড়কাপ্তানি বিভাগৰ জৰিয়তে যাতায়ত আৰু আন্তঃগাঁথনি উন্নয়নৰ কাম আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীৰ গুৰুত্ব বৰ্তমান বৃদ্ধি পাইছে। আমাৰ চৰকাৰৰ তিনিবছৰীয়া কাৰ্যকালত বহু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান গুৱাহাটী মহানগৰীত সফলতাৰে অনুষ্ঠিত হৈছে। দেশ-বিদেশত গুৱাহাটীৰ বিষয়ে বিশেষ ভাৱে চৰ্চ্চা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

সহযোগিতাৰে ক্ৰীড়াকে ধৰি বিভিন্ন ক্ষেত্ৰত সফলতাৰে অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে এয়া সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ আচৰ আৰু আতিথ্যতাৰ জৰিয়তে গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য বৃদ্ধি কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে স্থানীয় ঠিকাদাৰৰ দক্ষতা বৃদ্ধিৰ ওপৰটো গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি গডকাপ্তানি মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে সুদীৰ্ঘ সময়ৰ বিৰতিৰ পিছত অসমলৈ শান্তি আৰু উন্নয়নৰ পৰিৱেশ আহিছে। কেতবোৰ শক্তিয়ে বিভিন্ন জনগোষ্ঠীৰ মাজত সংঘাতৰ সৃষ্টি কৰি চৰকাৰে গ্ৰহণ কৰা উন্নয়নৰ পদক্ষেপ ব্যাহত কৰিব বিচাৰিছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। মন্ত্ৰী গৰাকীয়ে কয় যে যোৱা ৪০-৫০ বছৰে হোৱা আন্দোলনৰ ফলত অসমৰ উন্নয়ন বাধাপ্ৰাপ্ত হৈছিল।

ভাষণ প্ৰসংগত মন্ত্ৰী গৰাকীয়ে কয় যে নিৰ্দ্ধাৰিত তিনি বছৰৰ পৰিৱৰ্তে দুবছৰৰ ভিতৰতে এই উৰণীয়া সেঁতু খনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিব। বৰ্তমানৰ চৰকাৰে নলবাৰী, তিনিচুকীয়া, ধুবুৰী, নগাঁও ইত্যাদি স্থানত স্থাপনৰ পদক্ষেপ লোৱা চিকিৎসা মহাবিদ্যালয় কেইখনৰ কাম পূৰ্ণ গতিত চলি আছে বুলিও মন্ত্ৰী গৰাকীয়ে কয়। মালিগাঁও, ৰঙিয়া-গুৱাহাটী পথ, তেজপুৰ, বাইহাটা চাৰিআলিত নতুন উৰণীয়া সেঁতুৰ কাম আৰম্ভ কৰা হ'ব বুলিও মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। মন্ত্ৰী গৰাকীয়ে লগতে জনাই যে গুৱাহাটী উত্তৰ গুৱাহাটী সংযোগী ৰোপৱেৰ কাম সম্পূৰ্ণ হোৱাৰ পথত। তদুপৰি মহানগৰীৰ ব্ৰহ্মপুত্ৰৰ পৰাত ইলেভেটেড ফ্লাই অভাৰ নিৰ্মাণৰ বাবেও চিন্তা-চৰ্চ্চা চলি আছে বুলিও মন্ত্ৰী গৰাকীয়ে কয়।

অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, দিছপুৰ বিধান সভা সমষ্টিৰ বিধায়ক অতুল বৰাইও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত গড়কাপ্তানি বিভাগৰ আয়ুক্ত সচিব ৰাজেশ কেম্প্ৰাই প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাঃডেঃ /পুঃডেঃ / বঃভাঃ /**
**৮/১২/২০১৯**